# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-04-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - -**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান। অসমৰ দ্ৰোন ভূঞা, পাৰ্বতী বৰুৱা আৰু সৰ্বেশ্বৰ বসুমতাৰীলৈ পদ্মশ্ৰী সন্মান।

২। বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কংগ্ৰেছ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ উপৰি কেইবাগৰাকী নেতাৰ নিৰ্বাচনী প্ৰচাৰ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বায়নাডত ৰোড শ্ব'ত অংশগ্ৰহণ।

৩। ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান পৰহিলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৪। ৰাজ্যখনৰ ৪টা সমষ্টিৰ বাবে হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৪৭ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা নিশ্চিত ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ খেলত ৰাজস্থান ৰয়েলছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰে। শ্ৰীমতী মুৰ্মুৱে প্ৰাক্তন উপ ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু আৰু ভাৰত নাট্যমৰ বিশিষ্ট শিল্পী ড০ পদ্মা সুব্ৰমণ্যমক পদ্ম বিভূষণ সন্মান প্ৰদান কৰে। আনহাতে বিন্দেশ্বৰ পাঠকক মৰণোত্তৰভাৱে পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। অভিনেতা মিথুন চক্ৰৱৰ্তী আৰু সংগীত শিল্পী উষা উত্থুপে আজি সন্মানীয় পদ্ম ভূষণ বঁটা গ্ৰহণ কৰে।

পদ্ম ভূষণ বঁটাপ্ৰাপক আন আন ব্যক্তিসকল হ'ল- সমাজসেৱক ড০ সীতাৰাম জিন্দাল, হৃদৰোগ বিশেষজ্ঞ ডাঃ তেজছ মধুসূদন পেটেল আৰু উত্তৰ প্ৰদেশৰ প্ৰাক্তন ৰাজ্যপাল ৰাম নাইক। অসমৰ পৰা হস্তী বিশেষজ্ঞ পাৰ্বতী বৰুৱা, চিৰাঙৰ প্ৰগতিশীল কৃষক সৰ্বেশ্বৰ বসুমতাৰী আৰু দৰঙৰ সুকন্নানী কৃষ্টিৰ শিল্পী দ্ৰোন ভূঞাক এই সন্মানেৰে সন্মানিত কৰা হৈছে।

উল্লেখযোগ্য যে দেশৰ সৰ্বোচ্চ সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণতন্ত্ৰ দিৱসৰ দিনা এই বঁটাসমূহ ঘোষণা কৰা হয়।

০০০০০

দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দেশৰ বিভিন্ন প্ৰান্তত ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ আলিগড় জিলাত নিৰ্বাচনী সমাবেশত অংশ লয়। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে বিৰোধী মিত্ৰজোঁটক তীব্ৰ সমালোচনা কৰি কয় যে, তেওঁলোকে পৰিয়ালতন্ত্ৰক উৎসাহিত কৰাৰ লগতে তোষামোদৰ ৰাজনীতি কৰি আহিছে। তেওঁ লগতে কয় যে, সম্প্ৰতি দেশৰ পৰা দৰিদ্ৰতা সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ লগতে দুৰ্নীতি আৰু পৰিয়ালবাদৰ অৱসান ঘটোৱাৰ সময় সমাগত। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথেও আলিগড় আৰু ফটেহপুৰ ছিক্ৰী জিলাত প্ৰচাৰ চলায়। একেদৰে বিৰোধী দলসমূহেও প্ৰচাৰ ব্যাপক ৰূপত চলাই আছে। বহুজন সমাজ পাৰ্টীৰ মুৰব্বী মায়াৱতীয়ে আজি বুলগুশেহৰ জিলাত আয়োজিত এটা নিৰ্বাচনী সমাবেশত দিয়া ভাষণত বিজেপিক সমালোচনা কৰি কয় যে, দলটোৱে জনসাধাৰণক আভুৱা ভৰাৰ বিপৰীতে সঁচা অৰ্থত কোনো লেখত ল'বলগীয়া কাম কৰা নাই। কংগ্ৰেছ দলৰ হৈ ৰাজ্যখনৰ তত্বাৱধায়ক অবিনাশ পাণ্ডেই আজি বিভিন্ন স্থানত প্ৰচাৰ চলায়। ইপিনে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেৰালাৰ ৱায়নাড সমষ্টিত দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ এটা ৰোড শ্ব'ত অংশ লয়। সমষ্টিটোত কংগ্ৰেছৰ দলৰ নেতা ৰাহুল গান্ধীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নিজৰ ভাষণত ড০ শৰ্মাই কয় যে, সমষ্টিটোৰ জনসাধাৰণে কংগ্ৰেছ নেতাগৰাকীক এইবাৰ সমুচিত উত্তৰ দিব। ইফালে ছুৰাটত বিজেপিৰ প্ৰাৰ্থী মুকেশ দালাল বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

০০০০০

ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান পৰহিলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। এই পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত নিৰ্বাচন হ'ব। আনহাতে তৃতীয় পৰ্যায়ত ৰাজ্যখনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবেও ব্যাপক প্ৰচাৰ অব্যাহত আছে। দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ সমৰ্থনত আজি মন্ত্ৰী অশোক সিংঘালে তামুলপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। তামুলপুৰ বিধানসভা সমষ্টিৰ চাৰিটা স্থানত প্ৰচাৰ সভাত অংশ লৈ মন্ত্ৰী সিংঘালে প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োয়েও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ প্ৰাৰ্থীগৰাকীৰ হৈ কাইলৈ বিজেপিৰ জ্যেষ্ঠ নেতা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তামুলপুৰ জিলাৰ নাগ্ৰীজুলিত প্ৰচাৰ চলাব। ইপিনে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি ক্ষেত্ৰী গাঁও পঞ্চায়ত আৰু ধুপগুৰি গাঁও পঞ্চায়তত প্ৰচাৰ চলোৱাৰ উপৰি বিয়লিৰ ভাগত সোণাপুৰ মণ্ডলত আয়োজিত এটা সমদলত অংশ লয়। বিজেপি নেতা তথা মন্ত্ৰী ৰনজিত কুমাৰ দাসে আজি বৰপেটা সমষ্টিৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত বজালীৰ চাউলীয়াবৰিত প্ৰচাৰ চলায়। একেদৰে সমষ্টিটোৰ কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি বিয়লি চানমাৰিৰ ক'লনি খেলপথাৰত এখন প্ৰচাৰ সভাত অংশ লৈ শাসকীয় বিজেপিক সমালোচনা কৰে। এই কাৰ্যসূচীত কংগ্ৰেছৰ দলৰ ৰাষ্ট্ৰীয় নেত্ৰী সুপ্ৰিয়া শ্ৰীনেট আৰু মহিমা সিং উপস্থিত থাকে। গুৱাহাটী সমষ্টিত নিৰ্বাচনী প্ৰস্তুতি তথা প্ৰচাৰ সন্দৰ্ভত আমাৰ কামৰূপ মহানগৰ জিলাৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয় -

**ভইচ**

নগাঁও সমষ্টিৰ অন্তৰ্গত মৰিগাওঁ জিলাৰ ভুৰবন্ধাত আজি জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ নিৰ্বাচনী সভাত অংশ লয়।

০০০০০

মণিপুৰৰ ইনাৰ মণিপুৰ সংসদীয় সমষ্টিৰ অধীনৰ পূব ইম্ফল আৰু পশ্চিম ইম্ফল জিলা দুখনৰ ১১টা ভোটগ্ৰহণ কেন্দ্ৰত আজি অনুষ্ঠিত পুনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। আজি পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণৰ বিয়লি ৫ বজাত সামৰণি পৰে। বিয়লি ৩ বজালৈকে লাভ কৰা তথ্য অনুসৰি ৭৩ শতাংশৰো অধিক ভোটদাতাই ভোটাৰ অধিকাৰ সাব্যস্ত কৰে।

ইনাৰ মণিপুৰ সংসদীয় সমষ্টিৰ ৰিটাৰ্নিং বিষয়াগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত যোৱা ১৯ এপ্ৰিলত হোৱা ভোটগ্ৰহণৰ সময়ছোৱাত এই ১১টা ভোটগ্ৰহণ কেন্দ্ৰত কিছু বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ লগতে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ উপৰি ভোটদানত অনিয়ম হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে এই নিৰ্দিষ্ট ভোটগ্ৰহণ কেন্দ্ৰকেইটাত আজি পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে পূব ইম্ফল জিলাৰ ৭টা আৰু পশ্চিম ইম্ফল জিলাৰ ৪টা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হয়।

০০০০০

অৰুণাচল প্ৰদেশৰ চাৰিটা বিধানসভা সমষ্টিৰ আঠটা ভোটগ্ৰহণ কেন্দ্ৰত পৰহিলৈ বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত যোৱা ১৯ এপ্ৰিলত বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল যদিও নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়ে। বামেং আৰু নিয়াপিন বিধানসভা সমষ্টিৰ এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ, ৰুমগং সমষ্টিৰ দুটা আৰু নাছ' বিধানসভা সমষ্টিৰ চাৰিটা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পুৱা ৬ বজাৰ পৰা বিয়লি ২ বজালৈ ভোটগ্ৰহণৰ সময় ধাৰ্য কৰা হৈছে। ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছত একেদিনাই এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত 17A প্ৰপত্ৰৰ পৰীক্ষা কৰা হ'ব।

০০০০০

ৰাজ্যখনৰ ৪টা সমষ্টিৰ বাবে হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। আজি এই পৰ্যায়ৰ বাবে মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা কোকৰাঝাৰৰ ৩ গৰাকী আৰু ধুবুৰীৰ দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। আনফালে কোকৰাঝাৰ সমষ্টিত ১২ গৰাকী, ধুবুৰী সমষ্টিত ১৩ গৰাকী, বৰপেটা সমষ্টিত ১৪ গৰাকী আৰু গুৱাহাটী সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা কৰে।

উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত আউটাৰ মণিপুৰৰ উপৰি দেশৰ ৮৮টা সংসদীয় সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনত এহেজাৰ ১৯৮ গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দ্বিতীয় পৰ্যায়ত অসমত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কৰিমগঞ্জত ২৪, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত ৰাজ্যখনৰ দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধাশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হব। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ

ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিব। অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰ সিং টিছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিব।

উল্লেখযোগ্য যে সমগ্ৰ দেশত দ্বিতীয় পৰ্যায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত সামগ্ৰিকভাৱে ৮ দশমিক ৬ শতাংশ মহিলা প্ৰাৰ্থী আছে। এই পৰ্যায়ত অসম আৰু ত্ৰিপুৰাত দুগৰাকীকৈ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি জানিব পৰা গৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত প্ৰাৰ্থীসকলৰ ভিতৰত মহিলা প্ৰাৰ্থী ৮ দশমিক ২ শতাংশ আছিল। দ্বিতীয় পৰ্যায়ত কেৰালাত সৰ্বাধিক ২৫ গৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে, কৰ্ণাটকত ২১ গৰাকী আৰু উত্তৰ প্ৰদেশত ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

যুৱপ্ৰজন্মৰ ভোটদাতাক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰিবলৈ নিৰ্বাচনী আয়োগে নতুন নতুন কৌশল অৱলম্বন কৰাৰ সময়তে কামৰূপ জিলা নিৰ্বাচনী বিষয়াই জিলাখনৰ উত্তৰ গুৱাহাটীস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, আই আই টি গুৱাহাটীৰ সহযোগত থ্ৰী ডি প্ৰিণ্টেড বেলট মেচিন প্ৰস্তুত কৰি উলিয়াইছে। এই যন্ত্ৰটোৰ সহায়ত নতুন ভোটাৰসকলে ইলেকট্ৰনিক ভোটিং মেচিন ব্যৱহাৰৰ বিষয়ে শিকাৰ লগতে ভোটদানৰ ক্ষেত্ৰত থকা শংকা আঁতৰ কৰি সজাগতা সৃষ্টি কৰিব বুলি প্ৰতিষ্ঠানটোৰ তৰফৰ পৰা জানিবলৈ দিছে। আই আই টি গুৱাহাটীৰ ডিজাইন বিভাগৰ সহকাৰী অধ্যাপক ড০ অজিত কুমাৰৰ তত্বাৱধানত প্ৰস্তুত কৰা এই মেচিনটো পদ্ধতিগত ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণকাৰী কাৰ্যসূচীৰ অন্তৰ্গত আৰু ই গ্ৰামাঞ্চলৰৰ ভোটাৰৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলৈ সাজু হোৱা ভোটদাতা সকলক সজাগ আৰু লাভৱান কৰিব বুলি কামৰূপ জিলা নিৰ্বাচনী বিষয়া কীৰ্তি জল্লীয়ে আশা প্ৰকাশ কৰিছে।

ooooo

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি মৰিগাঁৱত উপস্থিত হৈ জিলাখনত নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁও নিৰ্বাচনী জিলাত উপস্থিত হৈ বিষয়াগৰাকীয়ে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত আৰু নিৰ্বাচনী কামকাজৰ দায়িত্বত থকা বিষয়াসকলৰ সৈতে এখন সভাত মিলিত হয়। সভাত শ্ৰীগোৱেলে ষ্ট্ৰং ৰুমৰ ব্যৱস্থাপনাৰ সন্দৰ্ভত বিতংভাৱে বুজ লোৱাৰ লগতে ৱেব কাষ্টিং, জি পি এছ ব্যৱস্থা, ই ভি এম ব্যৱস্থাপনা আদি বিষয় সন্দৰ্ভত আলোচনা কৰে।

একেদৰে, নগাঁৱতো মুখ্য নিৰ্বাচনী বিষয়াগৰাকী উপস্থিত হৈ নগাঁৱৰ জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ লগতে জিলা প্ৰশাসনৰ দায়িত্বত থকা বিষয়াসকলৰ সৈতে পৰ্যালোচনা মিলিত হয়। ইয়াৰ পাছত বিষয়াগৰাকী নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ৰ ষ্ট্ৰং ৰুম, সামগ্ৰীসমূহৰ বিতৰণ ব্যৱস্থা আৰু খাদ্য যোগানকে ধৰি নিৰ্বাচনৰ সৈতে জড়িত সকলো ব্যৱস্থাপনাৰ বুজ লয়।

ooooo

কাৰ্বি আংলং নিৰ্বাচনী জিলাত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ডিফু, বোকাজান, হাওৰাঘাট, ৰংখাং, আমৰি আৰু হাফলং বিধানসভা সমষ্টিক সামৰি গঠিত ডিফু লোকসভা সমষ্টিৰ সৰ্বমুঠ ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন ভোটাৰ আছে। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা ৪ লাখ ৪৫ হাজাৰ ৮৪ জন হোৱাৰ বিপৰীতে ৪ লাখ ৪৭ হাজাৰ ৫ গৰাকী মহিলা ভোটাৰ আছে। নিৰ্বাচনী জিলাখনত ৪৪৮ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া মধুমিতা ভাগৰতীয়ে জানিবলৈ দিয়ে। নিৰ্বাচনী জিলাখনৰ ২০টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে পৰিচালনা কৰিব। ইপিনে জিলাখনত পোষ্টেল বেলটৰ জৰিয়তে বৰ্তমানলৈকে ৩৫৫ জন ভোটাৰে ঘৰতে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে।

আনহাতে, নিৰ্বাচনী জিলাখনত ভোটাৰ ৰাইজৰ মাজত ভোটদানৰ সজাগতা বৃদ্ধিৰ বাবে আজি ৰাজ্যিক নিৰ্বাচনী আইকন ৰাকেশ বনিক উপস্থিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা ডিফু চহৰলৈ বাহিৰ কৰা চাইকেল ৰেলীত অংশগ্ৰহণ কৰি পেৰা চাইক্লিষ্ট শ্ৰী বনিকে অহা ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগা দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ডিফু সমষ্টিৰ ভোটাৰ ৰাইজক দলে-বলে ওলাই আহি ভোটদান কৰিবললৈ আহ্বান জনায়।

00000

সমাগত লোকসভা নিৰ্বাচনৰ বাবে ৰঙিয়া নিৰ্বাচনী জিলাত প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। ৰঙিয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত ৰঙিয়া আৰু কমলপুৰ বিধানসভা সমষ্টিৰ ভোট কৰ্মীসকলৰ আজি অন্তিমটো প্ৰশিক্ষণ সম্পন্ন কৰা হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত ৪৭৬ টা ভোটকেন্দ্ৰৰ বাবে প্ৰায় দুহেজাৰ পোলিং আৰু প্ৰিজাইডিং বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হয়। ৰঙিয়া নিৰ্বাচনী জিলাৰ নিৰ্বাচনী বিষয়া দেৱাশীষ গোস্বামীয়ে আমাৰ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত ৩৫ শতাংশ ই ভি এম আৰু ভি ভি পেট অতিৰিক্তভাৱে সাজু কৰা হৈছে বুলি জানিবলৈ দিছে। লগতে দিব্যাংগ আৰু বয়সীয়াল ভোটাৰসকলৰ বাবে প্ৰতিটো কেন্দ্ৰত হুইল ছেয়াৰ সাজু কৰি ৰখা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মান সিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

সমাপ্ত